North Lakhimpur College (Autonomous)
Khelmati, Lakhimpur
Assam, India, PIN : 787031
নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)
খেলমাটি, লখিমপুৰ, অসম, পিন ঃ ৭৮৭০৩১

NLC/Book Fair/2023/**11** **Date : 04-10-2023**

প্ৰতি
**মাননীয় প্ৰধান শিক্ষক / অধ্যক্ষ**
..........................................................................................

**বিষয় ঃ জিলাভিত্তিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা**

মহোদয়,

বিনীত নিবেদন এই যে, নৰ্থ লখিমপুৰ কলেজ প্ৰকাশনে ষষ্ঠবাৰৰ বাবে 'নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা'ৰ আয়োজন কৰিছে। এই গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ ছাত্ৰীৰ মাজত জিলা ভিত্তিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে আপোনাৰ প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰী পঠিয়াবলৈ অনুৰোধ জনাই এই পত্ৰ প্ৰেৰণ কৰিছোঁ। আশাকৰোঁ মহোদয়ে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰি প্ৰতিযোগিতাখন সফল হোৱাত সহায় কৰিব। ইতি।

**(ড° বিমান চন্দ্ৰ চেতিয়া)**
অধ্যক্ষ
নৰ্থ লখিমপুৰ কলেজ
(স্বায়ত্তশাসিত)

**(ড° অৰবিন্দ ৰাজখোৱা)**
সমন্বয়ক
নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন
ফোন ঃ ৭০০২৯-৬৮৯৩২

**(দ্ৰষ্টব্য ঃ এই পত্ৰৰ লগতে প্ৰতিযোগিতাৰ সবিশেষ নিয়মাৱলী প্ৰেৰণ কৰা হৈছে।)**



**মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত**

# লখিমপুৰ জিলা ভিত্তিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা

**১২ অক্টোবৰ, ২০২৩ (বৃহস্পতিবাৰ)**

**পুৱা ১০-০০ বজাৰপৰা**

নৰ্থ লখিমপুৰ কলেজ প্ৰকাশনে ষষ্ঠবাৰৰ বাবে 'নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা'ৰ আয়োজন কৰিছে। এই গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ ছাত্ৰীৰ মাজত **লখিমপুৰ জিলা ভিত্তিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা**ৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাসমূহ তলৰ নিয়মাৱলী অনুসৰি অনুষ্ঠিত হ'ব।

## নিয়মাৱলী—

১. **প্ৰতিযোগিতা নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হ'ব।**

২. **(ক) বক্তৃতাৰ বিষয় ঃ 'মোৰ জীৱনত প্ৰভাৱ পেলোৱা কিতাপখন'**
**(খ) কুইজৰ বিষয় ঃ সাধাৰণ জ্ঞান। সাহিত্য সম্পৰ্কে অতি কমেও দুটা ৰাউণ্ড থাকিব**

৩. বক্তৃতা প্ৰতিযোগিতাত এটা শিক্ষা প্ৰতিষ্ঠানৰ পৰা দুজনকৈ প্ৰতিযোগীয়ে যোগদান কৰিব পাৰিব।

৪. কুইজ প্ৰতিযোগিতাৰ এটা দলত দুজনকৈ প্ৰতিযোগী থাকিব। এটা শিক্ষা প্ৰতিষ্ঠানৰ পৰা সৰ্বাধিক দুটা দলে যোগদান কৰিব পাৰিব।

৫. দুয়োটা প্ৰতিযোগিতা সমান্তৰালভাৱে দুটা মঞ্চত আৰম্ভ হ'ব। সেয়ে দুয়োটা প্ৰতিযোগিতাৰ বাবে সুকীয়া সুকীয়া প্ৰতিযোগী আহিব লাগিব।

৬. বক্তৃতাৰ সময় ৪ (চাৰি) মিনিট

৭. প্ৰতিযোগিতাত কোনো ভৰ্তি মাচুল নাই।

৮. প্ৰতিযোগিতাৰ ভাষিক মাধ্যম অসমীয়া আৰু ইংৰাজী

৯. প্ৰতিযোগিতাৰ দিনাই ফলাফল ঘোষণা কৰা হ'ব আৰু পুৰস্কাৰ বিতৰণ কৰা হ'ব।

১০. প্ৰতিযোগীসকলে নিজৰ প্ৰতিষ্ঠানৰ মুৰব্বীৰ পৰা অধ্যয়নৰত হৈ থকাৰ প্ৰমাণ পত্ৰ আনিব লাগিব।

১১. প্ৰতিযোগীসকলৰ বাবে লঘূ আহাৰৰ ব্যৱস্থা কৰা হ'ব।

১২. যোগদানৰ বাবে নাম প্ৰেৰণৰ অন্তিম তাৰিখ— ১১ অক্টোবৰ, ২০২৩। নামসমূহ সংশ্লিষ্ট শিক্ষা প্ৰতিষ্ঠানৰ মুৰব্বী বা যিকোনো এগৰাকী শিক্ষকে এই হোৱাটছএপ নম্বৰত দিব পাৰিব— **+91-70866-36300** (ধৰিত্ৰী বৰুৱা, আলোচনী সম্পাদক, নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভা)

১৩. অন্যান্য তথ্যৰ বাবে যোগাযোগ- ড° অৰবিন্দ ৰাজখোৱা (**+91-94351-89174**), ড° ৰাতুল কুমাৰ লাহন (**+91-70021-82031**)

# ষষ্ঠ নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা

**৯ — ১৬ অক্টোবৰ, ২০২৩ (পুৱা ৯ বজাৰপৰা সন্ধ্যা ৭ বজালৈ)**

**স্থান ঃ নৰ্থ লখিমপুৰ মহাবিদ্যালয় চৌহদ**

**প্ৰৱেশ বিনামূলীয়া ।। সকলো ব্যক্তিৰ বাবে মুকলি**

নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন আৰু ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত আয়োজিত